# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
——————————————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ  দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰৱী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চূড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে আজি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্ত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত পৰহিলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনাই তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ নতুন দিল্লীলৈ উভতি যাব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ভাগ ল'বলগীয়া সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰিব। বিয়লি পাঁচ বাজি ১০ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত এই অনুষ্ঠান প্ৰচাৰিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া পাঁচ বাজি ১৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া বিয়লিৰ আঞ্চলিক বাতৰি আৰু সন্ধিয়া ছয় বজাত প্ৰচাৰিত হ'বলগীয়া সন্ধিয়াৰ উজনি অসমৰ বাতৰি প্ৰচাৰিত নহয়।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছে। তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত ভাগৱত পাঠ, নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱ সমবেত হোৱা পৰিলক্ষিত হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, ডিব্ৰুগড়, শিৱসাগৰ, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো সাহিত্য-সংস্কৃতিৰ পূজাৰী, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হয়। সন্ধিয়ালৈ কোনো কোনো ঠাইত অংকীয়া ভাওনাও অনুষ্ঠিত হ'ব।

০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বিজনী মহকুমাৰ মানস ছেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুভাষ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী কৌশিক ৰায়, ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ এছ চি মৰ্চাৰ সভাপতি নবাৰুণ মেধি, চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জলকান্তি ৰয়ো উপস্থিত থাকে। এই সভাত কেইবাহাজাৰো দলীয় কৰ্মী সমৰ্থকে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কোকৰাঝাৰৰ ভাওৰাগুৰিত দলীয় প্ৰাৰ্থী মহেশ্বৰ বসুমতাৰীৰ হৈ আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

ইপিনে খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী মদন ৰাভাৰ সমৰ্থনত মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰচাৰ চলায়। খৈৰাবাৰী মণ্ডলৰ ভূঞাখাট খেলপথাৰত অনুষ্ঠিত প্ৰচাৰ সভাত শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু বিকশিত বিটিআৰ নিৰ্মাণৰ বাবে ভাৰতীয় জনতা পাৰ্টিক পৰিষদীয় চৰকাৰ গঠনৰ সুযোগ প্ৰদান কৰিবলৈ মন্ত্ৰী হাজৰিকাই ৰাইজক আহ্বান জনায়। এই সভাত প্ৰাৰ্থী মদন ৰাভায়ো নিৰ্বাচনত তেওঁক জয়যুক্ত কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

বিটিচি নিৰ্বাচনৰ উদ্দেশ্যে বিজেপিয়ে প্ৰস্তুতি কৰি উলিওৱা সংকল্প পত্ৰখন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বাক্সা জিলাৰ বৰমাত উন্মোচন কৰে। **শান্তিপূৰ্ণ, সুৰক্ষিত, বিকশিত বিটিআৰ-** সংকল্প পত্ৰৰ মূল বিষয় বুলি মন্ত্ৰী শ্ৰীদাসে প্ৰকাশ কৰে। এই সংকল্প পত্ৰত বিজেপিৰ ৮টা গেৰাণ্টি সন্নিবিষ্ট কৰাৰ লগতে বিটিআৰ তথা বাক্সাৰ বাবে কেইবাখনো নতুন আঁচনি তথা প্ৰকল্পৰ কথা সন্নিবিষ্ট হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০

সমাপ্ত